# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** **তাং- ১২/০২/২০১৯**

## কাৰ্য্যবিৱৰণী

আজি ইং ১২/০২/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ২০১৯ বৰ্ষৰ প্ৰথমখনি ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । ন্যায়িক বিষয়া সকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীৰ উপস্থিতিত অনুষ্ঠিত বৈঠকখনিত আৰম্ভণিতে নতুনকৈ বদলি হৈ অহা অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ৰ লগত চিনাকি পৰ্ব হয় । ইয়াৰ লগতে তেওঁক বৈঠকৰ বিষয়ে জনোৱা হয় আৰু যোৱা মাহৰ বৈঠকৰ থূলমূল আলোচনা কৰা হয় । এইখিনিতে বৈঠকখন আয়োজনৰ দ্বায়িত্বত থকা কৰ্মচাৰীসকলক বৈঠকৰ দ্বায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে সকিয়াই দিয়ে ।

ইয়াৰ পাছতে কৰ্মচাৰীসকলে কাৰ্য্যালয়ত পৰিধান কৰিব লগিয়া পোছাক সম্পৰ্কে আলোচনা কৰা হয় আৰু যিসকল কৰ্মচাৰীয়ে সঠিক পোছাক পৰিধান নকৰে তেওঁলোকক যথাবিধি পোছাক পৰিধান কৰিবলৈ নিৰ্দেশ কৰে । লগতে অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে কৰ্মচাৰীসকলৰ পোছাক যথাবিধি কিয় হ'ব লাগে, এই সম্পৰ্কে মন্তব্য আগবঢ়ায় ।

Record Room ত হৈ থকা কেছৰ নথিসমূহৰ scanning ৰ কামৰ অগ্ৰগতি বুজ লোৱা হয় আৰু Bench ত থকা সমূহ কেছৰ নথি scan কৰিবলৈ জনায় । Bench সহায়ক সকলক এইক্ষত্ৰত বিশেষ আগভাগ ল'বলৈ জনোৱা হয় । লগতে তেওঁলোকক আগন্তুক ৰাষ্ট্ৰীয়লোক-আদালতত অন্তৰ্ভূক্ত কৰিবলগীয়া গোছৰৰ তদবীৰ ল'বলৈ নিৰ্দেশ দিয়া হয় ।

GR বিভাগৰ বাকী থকা কৰিবলগীয়া কামৰ সম্পৰ্কে বুজ লোৱা হয় । Bill Assistant ৰ পৰা ন্যায়িক বিষয়া সকলৰ বাকী থকা কামৰ বুজ লোৱাৰ লগতে আয়কৰ সম্পৰ্কে আলোচনা কৰা হয় । লগতে ইতিমধ্যে স্থাপন কৰা প্ৰাচীৰ পত্ৰিকা খনৰ বাবে আগ্ৰহী কৰ্মচাৰীসকলক লিখনি জমা দিবলৈ অনুৰোধ জনোৱা হয় ।

ইয়াৰ পিছতে কাৰ্য্যালয়ৰ অন্যান্য বিষয় সমূহৰ ওপৰত থূলমূল আলোচনা হয় । শেষত জলযোগেৰে বৈঠকখনৰ সামৰণি হয় ।

**মূখ্য ন্যায়িক দণ্ডাধীশ**
(ৰূপক ৰজক)

**অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ**
(ৰাহুল মেধি)

**১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ**
(মনিকা মিচং)

**১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ**
(নাজৰানা পাৰবিন ৰেহমান)